নং. ঃ আৰ.কে.জি/১৬/১/২০২৫-আৰ.ই.ভি-এম.জে.এল/৩৭১৩-১৮.

# বিজ্ঞাপন

মাজুলী জিলাৰ মাজুলী ৰাজহ চক্ৰ আৰু উজনি মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত নিম্নলিখিত লাট আৰু গাঁওসমূহত গাঁওপ্ৰধানৰ মৃত্যু আৰু অৱসৰ হোৱাৰ ফলত সৰ্বমুঠ ১০টা গাঁওপ্ৰধানৰ পদ খালী হৈ থকাৰ পৰিপ্ৰেক্ষিতত উক্ত পদসমূহ পূৰণৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। আবেদনকাৰীয়ে **অসম গেজেটৰ খণ্ড IX ত প্ৰকাশিত প্ৰ-পত্ৰত (Standard Form of Application)** প্ৰয়োজনীয় নথি-পত্ৰসহ অহা ইংৰাজী **০৩/০৬/২০২৫** তাৰিখৰ পুৱা ১০.০০ বজাৰ পৰা **১৭/০৬/২০২৫** তাৰিখৰ বিয়লি ৪.০০ বজাৰ ভিতৰত মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ ৰাজহ শাখাত আবেদন কৰিব লাগিব। আবেদনকাৰীয়ে কোনখন গাঁও আৰু লাটৰ গাঁওপ্ৰধান পদৰ বাবে আবেদন কৰিছে সেই লাট আৰু গাঁও/গাঁওসমূহৰ নাম উল্লেখ কৰাৰ লগতে আবেদনকাৰীৰ ভ্ৰাম্যভাষ নম্বৰ (Mobile Number) স্পষ্টকৈ আবেদনত সন্নিৱিষ্ট কৰাটো বাধ্যতামূলক।

| ক্ৰমিক নং | ৰাজহ চক্ৰ | মৌজা | লাট নং | গাঁও | মাহিলি পাৰিতোষিক |
|---|---|---|---|---|---|
| ১. | মাজুলী ৰাজহ চক্ৰ | আহঁতগুৰি | ৩ | ন-মাটি, শিকলি চাপৰি, হুটাৰ | ৯,০০০/- |
| ২. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৪ | বুঢ়াশেনচোৱা | ৯,০০০/- |
| ৩. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৪ | ভোগপুৰ সত্ৰ, ভোগপুৰ পথাৰ | ৯,০০০/- |
| ৪. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | লোহিত খাবলু (NC) | গড়মুৰ নগৰ গাঁও বালিজান, কাম্বং | ৯,০০০/- |
| ৫. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৮ | এলেঙ্গী, বালিচাপৰি | ৯,০০০/- |
| ৬. | উজনি মাজুলী ৰাজহ চক্ৰ | শালমৰা | ৫ | গায়ন গাঁও | ৯,০০০/- |
| ৭. | উজনি মাজুলী ৰাজহ চক্ৰ | শালমৰা | ১১ | ভেৰেুচুক কুমাৰবাৰী | ৯,০০০/- |
| ৮. | উজনি মাজুলী ৰাজহ চক্ৰ | শালমৰা | ২ | বনৰীয়া চাপৰি | ৯,০০০/- |
| ৯. | উজনি মাজুলী ৰাজহ চক্ৰ | শালমৰা | ৯ | চাউৰেকীয়া | ৯,০০০/- |
| ১০. | উজনি মাজুলী ৰাজহ চক্ৰ | শালমৰা | ১৩ | দক্ষিণপাট কৈৱৰ্ত গাঁও | ৯,০০০/- |

**আৱশ্যকীয় যোগ্যতাসমূহ ঃ**

১। আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তি পাবৰ বাবে আবেদন কৰা লাটৰ অন্তৰ্গত গাঁৱৰ অথবা গাঁওসমূহৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

২। আবেদনকাৰীৰ বয়স ১৭/০৬/২০২৫ তাৰিখে ন্যূনতম ৩০ বছৰ হ'ব লাগিব।

৩। আবেদনকাৰী অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড অথবা অনুষ্ঠানৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

৪। আবেদনকাৰী শাৰীৰিকভাৱে সক্ষম আৰু মানসিকভাৱে সবল হ'ব লাগিব।

৫। আবেদনকাৰী দেউলীয়া হিচাপে ঘোষিত অথবা চৰকাৰী দেনা পৰিশোধত বিফল ব্যক্তি হ'ব নালাগিব।

৬। নিযুক্তিৰ ক্ষেত্ৰত গাঁওপ্ৰধানৰ পৰিয়ালৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এই সন্দৰ্ভত মৌজাদাৰৰ মতামত বিবেচনা কৰা হ'ব।

৭। আবেদনকাৰী চৰকাৰী চাকৰিয়াল হ'ব নালাগিব।

৮। আবেদনকৃত লাটৰ অন্তৰ্গত গাঁও অথবা গাঁওসমূহত আবেদনকাৰীৰ নিজৰ নামত ভূমি/স্থাৱৰ সম্পত্তি থাকিব লাগিব।

৯। আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নালাগিব।

১০। আবেদনকাৰী উচ্চ মৰ্যাদাসম্পন্ন, দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হ'ব লাগিব।

১১। আবেদনকাৰী প্ৰাকৃতিক দুৰ্যোগ বা অন্যান্য চৰকাৰী কাৰ্যসূচী ৰূপায়ণ কৰাত অংশগ্ৰহণকাৰী তথা চৰকাৰক সহযোগ কৰা ব্যক্তি হোৱাটো বাঞ্ছনীয়।

১২। আবেদনকাৰী কোনো ধৰণৰ অপৰাধজনিত কাৰ্যত জড়িত থাকিব নালাগিব আৰু আবেদনকাৰীৰ বিৰুদ্ধে কোনো ধৰণৰ ফৌজদাৰী গোচৰ আদি থাকিব নোৱাৰিব।

১৩। গাঁওপ্ৰধান পদত ৬৫ বছৰ বয়সলৈকেহে কাম কৰিব পাৰিব।

১৪। আবেদনকাৰীৰ জীৱনসংগী এজন/এগৰাকীতকৈ অধিক হ'লেও দুটাতকৈ অধিক জীৱিত সন্তানৰ পিতৃ হ'ব নালাগিব। কিন্তু অসম চৰকাৰৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/অংশ/২০৪, দিনাংক ১৯/০৭/২০১৯ জাৰি হোৱাৰ পূৰ্বে যিসকল ব্যক্তি দুটাতকৈ অধিক সন্তানৰ গৰাকী হয়, তেওঁলোকৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহ'ব।

**আবেদন পত্ৰৰ লগত দাখিল কৰিবলগীয়া প্ৰয়োজনীয় প্ৰমাণ-পত্ৰসমূহ ঃ**

১। স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ।

২। বয়স আৰু শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ (অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড অথবা অনুষ্ঠানৰ প্ৰমাণ পত্ৰ)।

৩। বাকীজাঁই দেনামুক্ত প্ৰমাণ পত্ৰ।

৪। নিৰ্দিষ্ট অঞ্চলত নিজ নামত থকা ভূমি/স্থাৱৰ সম্পত্তিৰ প্ৰমাণ পত্ৰ।

৫। ভোটাৰ পৰিচয় পত্ৰ/আধাৰ কাৰ্ড।

৬। দুকপি পাছপ'ৰ্ট আকাৰৰ ফটো।

৭। দুটাতকৈ অধিক জীৱিত সন্তানৰ পিতৃ নোহোৱাৰ শপতনামা।

৮। আবেদনকাৰীৰ সন্দৰ্ভত মৌজাদাৰৰ মতামত সম্বন্ধীয় প্ৰমাণপত্ৰ।

৯। আবেদনকাৰীৰ ক্ষেত্ৰত সামাজিক কামৰ অভিজ্ঞতা। (প্ৰমাণপত্ৰ গাঁঠি দিব লাগিব)

আবেদনপত্ৰত প্ৰাৰ্থীসকলে সঠিকভাৱে তেওঁলোকে আবেদন কৰিবলৈ বিচৰা লাট নং আৰু গাঁৱৰ অথবা গাঁওসমূহৰ নাম উল্লেখ কৰিব লাগিব। অন্যথা তেওঁলোকৰ আবেদনপত্ৰ নাকচ কৰা হ'ব।

আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণ পত্ৰসমূহ যদি ভুৱা বুলি প্ৰমাণিত হয়, তেন্তে তেখেতৰ প্ৰাৰ্থিত্ব তাৎক্ষণিকভাৱে নাকচ কৰাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

যোগ্য বিবেচিত প্ৰাৰ্থীসকল মৌখিক সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব লাগিব। সাক্ষাৎকাৰৰ নিৰ্দিষ্ট স্থান আৰু সময় পৰৱৰ্তী পৰ্যায়ত অৱগত কৰা হ'ব।

এই বিজ্ঞাপন চৰকাৰৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/৩৯, দিনাংক ১০/০৪/২০১৮;আৰ এল আৰ ১৮৭/২০০৭/অংশ/২৪, দিনাংক ১৯/০৭/২০১৯ আৰু আৰ এল আৰ ৭৩/২০২০/৩, দিনাংক ২৬/০৮/২০২১ মৰ্মে জাৰি কৰা হৈছে।

**DIPR/D/AT/499/4-June-25** স্বাঃ/- জিলা আয়ুক্ত, মাজুলী

JobAssam.in